# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 06-01-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

বাইট (চি এম)

ইপিনে, শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য দখলমুক্ত কৰাৰ বাবে আজি পুনৰ উচ্ছেদ চলোৱা হয়। অভয়াৰণ্যখনৰ ৮৩০ হেক্টৰ ভূমিত কালি প্ৰশাসনে উচ্ছেদ অভিযান চলাইছিল। আজিও তেজপুৰ সদৰ ৰাজহ চক্ৰ আৰু ঢেলামৰা ৰাজহ চক্ৰৰ অধীনৰ জামুকতল, আৰিমাৰি চৰ, গণেশতাপু চৰ, লাঠিমাৰী চৰৰ লগতে চিয়ালি চৰ, খুন্দলীয়া, ভাটলী, গন্তিপাৰ, আৰু লহঁৰা দ্বীপ চৰত কেইবাখনো বুলডজাৰ ব্যৱহাৰ কৰি অবৈধ নিৰ্মাণসমূহ উচ্ছেদ কৰা হয়। ০০০০

০০০০

ৰাজ্যত শীতৰ প্ৰকোপ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কেইবাখনো জিলাৰ লগতে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহতো কাইলৈৰ পৰা কাৰ্যকৰী হোৱাকৈ পাঠদানৰ সময়সূচী কিছু সাল সলনি কৰা হৈছে। সেই অনুসৰি কামৰূপ মহানগৰ জিলাত প্ৰাথমিক বিদ্যালয়সমূহত পাঠদান পুৱা ১০ বজাৰ পৰা দিনৰ ১ বজালৈ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত পুৱা ১০ বজাৰ পৰা দিনৰ ২ বজালৈ হব। মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পাঠদান পুৱা ১০ বজাৰ পৰা দিনৰ আঢ়ৈ বজালৈ হ'ব। শীতৰ প্ৰকোপৰ প্ৰতি লক্ষ্য ৰাখি হোজাই, ডিব্ৰুগড় আৰু মাজুলিৰ শিক্ষানুষ্ঠানসমূহৰ পাঠদানৰ সময়সূচী সলনি কৰা হৈছে। হোজাই জিলাত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত পাঠদান পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১ বজালৈ চলিব। উচ্চ বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পাঠদান পুৱা ১০ বজাৰ পৰা দুপৰীয়া ২ বজালৈ চলিব। অৱশ্যে জিলাখনৰ বিদ্যালয়সমূহত চলি থকা দশম শ্ৰেণী আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ পৰীক্ষাৰ সময়সূচী অপৰিৱৰ্তিত থাকিব। ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহত পুৱা ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ পাঠদান অনুষ্ঠিত হব। মাজুলি জিলাৰ প্ৰাথমিক বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা দিনৰ ১ বজালৈ, প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ আৰু উচ্চৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ খোলা থাকিব।

০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ওড়িশাৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত লেখক-সাহিত্যিক অৰূপ কুমাৰ দত্ত, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী আৰু সাহিত্য অকাডেমীৰ অসমীয়া ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অসম গ্ৰন্থমেলাৰ উদ্যোক্তাসকলে প্ৰকাশ কৰা মতে এইবাৰ গ্ৰন্থমেলাত গ্ৰন্থ বিক্ৰীৰ হাৰ আশাব্যঞ্জক আছিল। কালি ত্ৰয়োদশ দিনালৈ গ্ৰন্থমেলাত মুঠ ৬ কোটি ৮০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হয় বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত  অহা ২২ জানুৱাৰীত চাৰিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটী এছীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক জগতখনক উজলাই তোলাৰ লক্ষ্য আগত ৰাখি এইবেলি এই মহোৎসৱ দ্বিতীয় বাৰৰ বাবে আয়োজন কৰা হৈছে। এই মহোৎসৱত প্ৰদৰ্শন হ'বলগীয়া চলচ্চিত্ৰসমূহৰ তালিকা কালি ঘোষণা কৰা হয়। মহোৎসৱৰ উদ্বোধনী চলচ্চিত্ৰ হিচাপে শ্বোকিৰ খুলিক'ভে পৰিচালনা কৰা উজবেকিস্তানী চলচ্চিত্ৰ **চানডে** প্ৰদৰ্শন কৰা হ'ব। আলৰেজা ঘাছেমি আৰু ৰাহা আমিৰ ফজলীৰ যুটীয়া পৰিচালনাৰ ইৰাণী চলচ্চিত্ৰ **ইন দ্য লেণ্ড অব ব্ৰাডাৰ্ছৰ** প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব। এই অনুষ্ঠানত কিম্বদন্তী ভাৰতীয় চলচ্চিত্ৰ পৰিচালক গিৰিশ কাছাৰাৱল্লিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**